No. of Printed Pages—4

496 (ECM07/ECP05)

[20-HBGPOW–D5S(O)21A]

BA 5th Semester (Old) Exam., 2020 (W)

ECONOMICS

[BEC M/P–04]

(Development Economics with Indian Perspective—I)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following questions very briefly : 1×8=8
তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখক :

(a) Define Incremental Capital Output Ratio (ICOR).
বৰ্ধিত মূলধন উৎপাদনৰ অনুপাত (ICOR)ৰ সংজ্ঞা লিখক।

(b) State one of the important measures of human development.
মানৱ উন্নয়নৰ এটা গুৰুত্বপূৰ্ণ পৰিমাপক উল্লেখ কৰক।

(c) How is labour force participation rate calculated?
শ্ৰমশক্তিৰ অংশগ্ৰহণৰ হাৰ কিদৰে গণনা কৰা হয়?

(d) Define per capita income.
জনমূৰি আয়ৰ সংজ্ঞা লিখক।

(e) Name two main proponents of the endogenous growth theory.
আভ্যন্তৰীণ বিকাশ তত্ত্বটোৰ দুগৰাকী প্ৰধান পৃষ্ঠপোষকৰ (প্ৰৱক্তাৰ) নাম লিখক।

(f) Define Solow's 'Steady State Growth'.
চ'ল'ৰ 'অপৰিৱৰ্তিত অৱস্থাৰ বিকাশ'ৰ সংজ্ঞা লিখক।

(g) State whether True or False :
শুদ্ধ নে অশুদ্ধ লিখক :

The contribution of primary sector to GDP is highest in India.
ভাৰতবৰ্ষত GDP লৈ প্ৰাথমিক খণ্ডৰ বৰঙণি সৰ্বাধিক।

(h) Who developed the cumulative causation theory of underdevelopment?
অনুন্নত অৰ্থনীতিৰ একত্ৰিত সতৰ্কীকৰণৰ তত্ত্বটো কোনে উলিয়াইছিল ?

2. Answer the following questions (each in around *50* words) : 2×8=16
তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০* শব্দৰ ভিতৰত) :

(a) Mention two sources of economic growth.
অৰ্থনৈতিক বিকাশৰ দুটা উৎস উল্লেখ কৰক।

(b) Define multidimentional poverty.
বহুমুখী দৰিদ্ৰতাৰ সংজ্ঞা লিখক।

(c) State the two assumptions made by Lewis about the traditional agricultural sector of the economy.
প্ৰচলিত কৃষিভিত্তিক অৰ্থনীতিৰ ওপৰত লিউচে আগবঢ়োৱা দুটা অভিধাৰণা উল্লেখ কৰক।

(d) State the two modernization ideals given by Gunnar Myrdal.
গুণাৰ মিৰ্দালে বৰ্ণনা কৰা আধুনিকীকৰণৰ দুটা আৰ্হিৰ উল্লেখ কৰক।

(e) Mention two basic features of Indian economy as a developing economy.
উন্নয়নশীল অৰ্থনীতি হিচাপে ভাৰতবৰ্ষৰ অৰ্থনীতিৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

(f) Write the Kaldorian expression of shares of profit in national income.
কেলডৰৰ ৰাষ্ট্ৰীয় আয়ত লাভৰ অংশৰ ধাৰণাটো প্ৰকাশ কৰক।

(g) Name the components of Human Development Index (HDI).
মানৱ উন্নয়ন সূচাংক (HDI)ৰ কাৰকসমূহৰ নাম লিখক।

(h) Define 'inclusive growth'.
'সৰ্বাত্মক বিকাশ'ৰ সংজ্ঞা লিখক।

3. Answer any *five* from the following questions (each in around *100* words) : 4×5=20
তলৰ প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) :

(a) Write a note on vicious circle of poverty.
দৰিদ্ৰতাৰ পাকচক্ৰৰ ওপৰত এটা টোকা লিখক।

(b) Explain how regional inequalities are perpetuated by spread effects and backwash effects of economic activities.
পশ্চাদ্‌মুখী আৰু বিস্তাৰকাৰী পৰিণামৰ জৰিয়তে কেনেদৰে আঞ্চলিক অসমতাৰ সৃষ্টি হয়, আলোচনা কৰক।

(c) Explain briefly the trend of urbanization in India.
ভাৰতবৰ্ষৰ নগৰীকৰণৰ ধাৰা সম্বন্ধে চমুকৈ আলোচনা কৰক।

(d) Explain how Gini Coefficient is derived from Lorenz Curve.
ল'ৰেঞ্জ কাৰ্ভৰ পৰা জিনি ক'ফিচ্যেণ্ট কেনেকৈ পাব পাৰি, ব্যাখ্যা কৰক।

(e) State the main ideas of endogenous growth theory.
আভ্যন্তৰীণ বিকাশৰ তত্ত্বটোৰ প্ৰধান ধাৰণাসমূহ ব্যক্ত কৰক।

(f) Explain the structural changes in the development process as discussed by Kuznets.
উন্নয়ন প্ৰক্ৰিয়াত গাঁথনিগত পৰিৱৰ্তনৰ বিষয়ে কুজনেট্‌ছৰ ধাৰণা আলোচনা কৰক।

4. Answer any *two* from the following questions (each in around *300* words) : 8×2=16

তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৩০০* শব্দৰ ভিতৰত) :

(a) Give an outline of the five stages of development presented by Rostow. Which stage is most crucial for a country like India and why?

ৰস্তৱ তত্ত্বই আগবঢ়োৱা বিকাশৰ পাঁচটা স্তৰ ব্যাখ্যা কৰক। ভাৰতবৰ্ষৰ নিচিনা দেশৰ বাবে কোনটো স্তৰ অতি গুৰুত্বপূৰ্ণ আৰু কিয়?

(b) Give a detailed account of the available measures of poverty.

দৰিদ্ৰতাৰ বিভিন্ন পৰিমাপ সম্বন্ধে বিস্তৃত আলোচনা আগবঢ়াওক।

(c) Explain the problems in the estimation of national income in India.

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় আয় গণনাৰ বিভিন্ন সমস্যা সম্বন্ধে আলোচনা কৰক।

5. Answer any *two* from the following questions (each in around *400* words) : 10×2=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৪০০* শব্দৰ ভিতৰত) :

(a) Discuss Harrod-Domar theory of instability of growth process.

হেৰ'ড-ড'মাৰৰ বিকাশৰ অস্থিৰতাৰ তত্ত্বটো আলোচনা কৰক।

(b) Define 'underdevelopment' as described by M. P. Todaro. Discuss the factors responsible for underdevelopment of a country. 2+8=10

এম. পি. ট'ডাৰ'ৰ 'অনুন্নয়ন'ৰ সংজ্ঞা দিয়ক। এখন দেশৰ অনুন্নয়নৰ কাৰকসমূহৰ বিষয়ে আলোচনা কৰক।

(c) Explain in detail the unemployment scenario of India.

ভাৰতবৰ্ষৰ নিবনুৱা সমস্যাৰ বিষয়ে বিশদভাৱে আলোচনা কৰক।

★★★